# ইজৰাইলৰ সৈতে ইউ এ ই-বাহৰেইনৰ চুক্তি

চম্পক শৰ্মা

ইজৰাইলক কেন্দ্ৰ কৰি আৰব বিশ্বত দীৰ্ঘদিনৰপৰাই মতানৈক্যই বিৰাজ কৰি আহিছে। তাৰ মাজতো বিভিন্ন সময়ত শান্তিৰ প্ৰচেষ্টা নচলাকৈ থকা নাই। শেহতীয়াকৈ যোৱা ১৩ আগষ্টত মধ্যপ্ৰাচ্যৰ প্ৰভাৱশালী দেশ সংযুক্ত আৰব আমীৰশ্বাহীয়ে (ইউ এ ই) ইজৰাইলৰ সৈতে এখন শান্তি চুক্তি কৰিবলৈ সন্মত হৈছে আৰু ১৫ ছেপ্টেম্বৰত আমেৰিকাৰ হোৱাইট হাউছত চুক্তিখন স্বাক্ষৰিত হৈছে। ইজৰাইলৰ সৈতে ইউ এ ইৰ সম্পৰ্ক স্বাভাৱিক কৰি তোলাৰ লক্ষ্যৰে স্বাক্ষৰ কৰা এই চুক্তিক লৈ ইতিমধ্যে আৰব বিশ্বত মিশ্ৰিত প্ৰতিক্ৰিয়াই দেখা দিছে। তাৰ মাজতে ১১ ছেপ্টেম্বৰত বাহৰেইনেও অনুৰূপ চুক্তি এখনত স্বাক্ষৰ কৰিবলৈ সন্মতি দিছে। চুক্তিকেইখনে আমেৰিকাৰ পক্ষত অৱস্থান কৰি অহা ইজৰাইলৰ সৈতে এই দেশকেইখনৰ সম্পৰ্কক নতুন উচ্চতালৈ নিব বুলি ভবাৰ থল আছে যদিও সমগ্ৰ মধ্যপ্ৰাচ্য তথা আৰবলৈ ই শান্তিৰ বাতাৱৰণ আনিব পাৰিবনে নাই সেয়া তাৎক্ষণিকভাৱে কৈ দিব পৰা হোৱাগৈ নাই। চুক্তিকেইখনে আন্তঃৰাষ্ট্ৰীয় মহলত ইজৰাইলৰ স্থিতিহে দৃঢ়তৰ কৰাত বহুখিনি অৱদান আগবঢ়াব বুলি তাৎক্ষণিকভাৱে ক'ব পাৰি।

প্ৰথমে ইজৰাইল-ইউ এ ইৰ চুক্তিৰ কথাকে আলোচনা কৰা হওক। ১৯৭১ চনত আমীৰশ্বাহী দেশখন স্বাধীন হোৱাৰ পাছতে দেশখনৰ শ্বেখ জায়েদ বিন চুলতান আল নাহিয়ানে ইজৰাইলক 'শত্ৰু' বুলি অভিহিত কৰিছিল। কিন্তু উপসাগৰীয় যুদ্ধৰ পাছত ইউ এ ই আৰু আমেৰিকাৰ মাজৰ সম্পৰ্ক ক্ৰমে গাঢ় হ'বলৈ ধৰে। চলিত দশকত ইজৰাইলে দেশখনৰ সৈতে কূটনৈতিক সম্পৰ্ক স্থাপনৰ বাবে যত্নপৰ হয়। এইক্ষেত্ৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মধ্যপ্ৰাচ্য সম্পৰ্কীয় নীতিৰ পৰামৰ্শদাতা তথা জোঁৱায়েক জাৰেড কুছনাৰেও বহুখিনি অৱদান আগবঢ়ায়। বিশেষকৈ চুক্তিত আমেৰিকাৰ দীৰ্ঘকালৰ বন্ধুৰাষ্ট্ৰ ইজৰাইলৰ স্বাৰ্থৰক্ষাৰ প্ৰসংগটোত ইজৰাইলী প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সমানেই সৰৱ আছিল মাৰ্কিন কূটনীতিকজন। এইজন কূটনীতিকৰ যত্নতে ইজৰাইল আৰু ইউ এ ইৰ মতানৈক্য দূৰীভূত হয় আৰু ট্ৰাম্পৰ অনুমোদন সাপেক্ষে ১৩ আগষ্টত আমীৰশ্বাহীৰ বিদেশমন্ত্ৰী আনোৱাৰ গাৰগাছে চুক্তিত সন্মতি দিয়াৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এটা ত্ৰিপাক্ষিক বিবৃতিত এয়া মধ্যপ্ৰাচ্যৰ শান্তি আৰু সাহসী কূটনীতিৰ অন্যতম পদক্ষেপ বুলি ঘোষণা কৰা হৈছে।

চুক্তি সন্দৰ্ভত আমেৰিকাৰ প্ৰতিক্ৰিয়াহে সৰ্বাগ্ৰগণ্য। কিয়নো, আৰব বিশ্বত ইজৰাইলৰ শক্তি বৃদ্ধি মানেই আমেৰিকাৰ প্ৰভাৱ বৃদ্ধি। গতিকে এই চুক্তি আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এটা কূটনৈতিক বিজয় বুলি পৰিগণিত হৈছে। আনকি মধ্যপ্ৰাচ্যত ট্ৰাম্পৰ এনে শান্তিৰ তৎপৰতাৰ বাবে শান্তিৰ ন'বেল বঁটাৰ বাবেও ট্ৰাম্পৰ নাম মনোনীত কৰি পঠিওৱা হৈছে। গতিকে অহা তিনি নৱেম্বৰৰ মাৰ্কিন ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বে এই চুক্তিয়ে ট্ৰাম্পক নতুন শক্তি দিব। আমেৰিকাৰ বন্ধুৰাষ্ট্ৰ ইজৰাইলো এই চুক্তিক লৈ সন্তুষ্ট। কুৱেইট, ওমান আদি দেশে চুক্তিক কটু সমালোচনা কৰিছে যদিও বাহৰেইনে চুক্তিৰ প্ৰশংসা কৰিছে। ছৌদি আৰবে চুক্তিৰ পোনপটীয়া সমৰ্থন বা বিৰোধিতা কৰা নাই। পেলেষ্টাইনে চুক্তিখনৰ ঘোৰ বিৰোধিতা কৰিছে আৰু চৰমপন্থী সংগঠন হামাছে ইছলামিক দেশখনক উদ্দেশি এই চুক্তি পেলেষ্টাইনী লোকৰ পিঠিত ছুৰীৰে কৰা আঘাত বুলি উল্লেখ কৰিছে। চুক্তিখনৰ কিছুমান কথা ইৰানৰ বিৰুদ্ধে যোৱা বাবে তেহৰান কৰ্তৃপক্ষই চুক্তিৰ সমালোচনা কৰিছে, তুৰস্কয়ো চুক্তিৰ বিৰোধিতা কৰিছে। পাকিস্তানে চুক্তি সম্পৰ্কে সাৱধানী মন্তব্য কৰিছে। ইজিপ্টে আকৌ চুক্তিক প্ৰশংসা কৰিছে। এনেদৰে এই চুক্তি সম্পৰ্কে বিভিন্ন দেশে নিজা নিজা প্ৰতিক্ৰিয়া আগবঢ়োৱা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰসংঘয়ো চুক্তিখনক আদৰিছে।

চুক্তিখনত থকা মতে পশ্চিম এছিয়াত আমেৰিকাৰ দুয়োখন বন্ধুৰাষ্ট্ৰ ইজৰাইল আৰু ইউ এ ইৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ উন্নতি হ'ব। ইউ এ ইয়ে ইজৰাইলক স্বীকৃতি দিব। সেয়া হৈ উঠাৰ লগে লগে ইজৰাইলক স্বতন্ত্ৰ দেশৰূপে স্বীকৃতি দিয়া ইউ এ ই হ'ব আৰব বিশ্বৰ তৃতীয়খন দেশ। পূৰ্বে ইজিপ্টে ১৯৭৯ চনত আৰু জৰ্ডানে ১৯৯৪ চনত ইজৰাইলক স্বীকৃতি দিছিল। উত্তৰ-পশ্চিম আফ্ৰিকাৰ দেশ তথা আৰব লীগৰ সদস্যৰাষ্ট্ৰ মৌৰিটানিয়ায়ো ১৯৯৯ চনত ইজৰাইলৰ সৈতে কূটনৈতিক সম্পৰ্ক স্থাপন কৰে যদিও ২০১০ চনত পুনৰাই সম্পৰ্ক ছেদ কৰে। চুক্তিত থকা অন্য এটা বিষয় হৈছে পেলেষ্টাইনৰ ৱেষ্ট বেংক নামৰ ঠাইত ইজৰাইলে চলাই অহা দখল আৰু সীমা সম্প্ৰসাৰণ নীতিৰ স্থগিতকৰণ। উল্লেখযোগ্য যে ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৱে দীৰ্ঘকাল ধৰি ৱেষ্ট বেংককে ধৰি পেলেষ্টাইনৰ এলেকা দখল কৰি ইজৰাইলৰ অন্তৰ্ভুক্ত কৰাত জোৰ দি আহিছিল। সেই নীতি তেওঁ ৰূপায়ণো কৰি আহিছিল। ২০১৯ চন পৰ্যন্ত আমেৰিকাই ৱেষ্ট বেংকত ইজৰাইলৰ আগ্ৰাসন আন্তঃৰাষ্ট্ৰীয় নীতিৰ পৰিপন্থী বুলিও ঘোষণা কৰি আহিছিল। পিছে সেই বছৰেই ট্ৰাম্প প্ৰশাসনে ৱেষ্ট বেংকত ইজৰাইলৰ বসতি স্থাপনে আন্তঃৰাষ্ট্ৰীয় নীতি ভংগ কৰা নাই বুলি ঘোষণা কৰি প্ৰকাৰান্তৰে ইজৰাইলক উৎসাহহে দিয়ে। আমেৰিকাৰ ঘোষণা আছিল ইজৰাইল আৰু পেলেষ্টাইনৰ সংঘাত অৱসানৰ বাবে বিবেচিত হৈ থকা 'টু ষ্টেট' বা দ্বিৰাষ্ট্ৰ নীতিৰ পৰিপন্থী। তেতিয়া আমীৰশ্বাহীয়ে কিন্তু আমেৰিকাক সেই দেশৰ নীতিৰ পৰিণাম ভয়াৱহ হ'ব পাৰে বুলি আঙুলিয়াই দিছিল। সেয়ে আমেৰিকাই ইজৰাইলৰ আগ্ৰাসন বন্ধ কৰাৰ চুক্তিত ইউ এ ইক ইজৰাইলৰ সৈতে বুজাবুজিলৈ অহাৰ পথ মুকলি কৰে। চুক্তিখনৰ আঁৰত থকা কাৰকবোৰৰ ভিতৰত এয়াও অন্যতম।

প্ৰকৃততে আমেৰিকাৰ ঘোষণাই ৱেষ্ট বেংকত ইজৰাইলৰ দখলীকৃত এলেকাবোৰত দখলকাৰীৰ ভেটিহে শক্তিশালী কৰিছিল। বেঞ্জামিন নেতান্যাহু আৰু তেওঁৰ সোঁপন্থী সহযোগী ধৰ্মীয় ৰাজনৈতিক দলবোৰৰো সেয়াই আশা আছিল। সেইবোৰ দেখিও কিন্তু ইউ এ ইৰ দৰে দেশে কোনো আলোচনা অবিহনেই ইজৰাইলৰ সৈতে সম্পৰ্কৰ উন্নতি ঘটাবলৈ আগবাঢ়ি আহিছিল। ই প্ৰমাণ কৰিছিল যে আমীৰশ্বাহী আৰু কেইখনমান আৰব দেশ মধ্যপ্ৰাচ্যৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় ইজৰাইল-পেলেষ্টাইনৰ সংঘাতৰ স্থিতাৱস্থা মানি ল'বলৈ সাজু। কিন্তু তেওঁলোকে ইজৰাইলক অধিক আগ্ৰাসন চলোৱাৰপৰা বিৰত ৰখাৰ চেষ্টা চলালে। কোৱা হ'ল যে ইমানতে ইজৰাইল ক্ষান্ত নহ'লে আৰব বিশ্বৰ ৰাষ্ট্ৰবোৰৰ মাজৰ একাংশৰ বন্ধুত্ব হয়তো ইজৰাইলে চিৰদিনৰ বাবে হেৰুৱাব লাগিব। সেয়ে পেলেষ্টাইনৰ ক্ষেত্ৰত স্থিতাৱস্থা ৰক্ষাত ইউ এ ই বা ইজৰাইল আৰু দুয়োখন দেশৰ বন্ধুৰাষ্ট্ৰবোৰ সৈমান হ'ল। আনহাতে নেতান্যাহুৰ বাবেও অহৰহ আগ্ৰাসনৰ প্ৰতিক্ৰিয়া আৰু আগবঢ়াই দিয়া বন্ধুত্বৰ হাত ওভতাই নিয়াৰ ভয়ে চুক্তিত সন্মতি দিয়াত অন্যতম ভূমিকা লয়। বিশ্বজুৰি ক'ভিড-১৯ মহামাৰীৰ আগ্ৰাসনৰ সময়ত নেতান্যাহুৰ সহযোগী দলৰ নেতা বেণী গাণ্টজেও চৰকাৰক মহামাৰী প্ৰতিৰোধতে সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনাইছে।